Total No. of Printed Pages—4

**5 SEM TDC ASM M 4**

**2019**

( November )

ASSAMESE

( Major )

Course : 504

**( তুলনামূলক ভাৰতীয় সাহিত্য )**

*Full Marks* : 80

*Pass Marks* : 32 / 24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। (ক) ভিন্ ভিন্ সম্প্ৰদায়ৰ তুলনা বিশাৰদসকলে আগবঢ়োৱা সংজ্ঞাৰ আধাৰত তুলনামূলক সাহিত্যৰ বৈশিষ্ট্য নিৰূপণ কৰাঁ। ১৪

*অথবা*

(খ) তুলনামূলক সাহিত্যৰ বিকাশৰ ধাৰাৰ বিভিন্ন দিশ সামৰি এটি প্ৰবন্ধ যুগুতোৱাঁ।

২। (ক) 'বিষয়সাৰ তত্ত্ব' (thematology) আৰু 'প্ৰকাৰতত্ত্ব' (genealogy)ৰ বিষয়ে আলোচনা কৰাঁ। ৭+৭=১৪

*অথবা*

(খ) তুলনামূলক সাহিত্য অধ্যয়নৰ পদ্ধতিসমূহৰ বিষয়ে এটি টোকা লিখাঁ। ১৪

৩। (ক) 'ভাৰতীয় সাহিত্যৰ বহুভাষিক স্থিতিৰ প্ৰেক্ষাপটত ভাৰতীয়ত্বৰ উপলব্ধি' শীৰ্ষক এটি প্ৰবন্ধ লিখাঁ। ১৪

*অথবা*

(খ) ভাৰতত তুলনামূলক সাহিত্যৰ বিকাশৰ ধাৰাৰ বিষয়ে আলোচনা কৰাঁ।

৪। যি কোনো এটাৰ চমু টোকা লিখাঁ : ৬

(ক) অসমত তুলনামূলক সাহিত্যৰ চৰ্চা

(খ) ভাৰতীয় সাহিত্যৰ বৈশিষ্ট্য

৫। (ক) ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'বাঁশি' আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ 'বাঁহী' কবিতা দুটিৰ মাজৰ সাদৃশ্য আৰু বৈসাদৃশ্যসমূহ আলোচনা কৰাঁ। ১৪

*অথবা*

(খ) ধীৰু বহন পটেলৰ 'মা' আৰু মন্নু ভণ্ডাৰীৰ 'আই গোসাঁনীৰ থান' শীৰ্ষক গল্পত প্ৰতিফলিত সমাজ দুখনৰ এটি তুলনামূলক আলোচনা আগবঢ়োৱাঁ। ৭+৭=১৪

৬। (ক) তুলনামূলক সাহিত্যত অনুবাদৰ ভূমিকাৰ বিষয়ে আলোচনা কৰাঁ। ১০

অথবা

(খ) "তুলনামূলক সাহিত্য অধ্যয়নত অনুবাদৰ হাত ধৰিহে অগ্ৰসৰ হ'ব পাৰি।" কথাষাৰৰ তাৎপৰ্য বিচাৰ কৰাঁ।

৭। চমু উত্তৰ দিয়াঁ : ১×৮=৮

(ক) প্ৰফুল্ল কটকীয়ে লিখা তুলনামূলক সাহিত্য-বিষয়ক গ্ৰন্থখনৰ নাম লিখাঁ।

(খ) Comparative literature শব্দটো প্ৰথমে কোনে ব্যৱহাৰ কৰিছিল?

(গ) ভাৰতবৰ্ষৰ কোনখন বিশ্ববিদ্যালয়ত প্ৰথম তুলনামূলক সাহিত্য এক বিদ্যায়তনিক বিভাগ হিচাবে আৰম্ভ হয়?

(ঘ) 'তুলনামূলক সাহিত্য : সিদ্ধান্ত আৰু প্ৰয়োগ' গ্ৰন্থখনৰ লেখক কোন?

(ঙ) ছাৰ উইলিয়াম জ'ন্সে কালিদাসৰ কোনখন গ্ৰন্থ ইংৰাজীলৈ অনুবাদ কৰিছিল?

(চ) তলৰ কোনজন ভাৰতীয় তুলনাবিশাৰদ?

(১) পচনেট

(২) ভবেন্দ্ৰনাথ শইকীয়া

(৩) ইন্দ্ৰনাথ চৌধুৰী

(৪) সুকুমাৰ সেন

(ছ) 'অনু' উপসৰ্গ, 'ৱদ্' ধাতু আৰু কি প্ৰত্যয় যোগ হৈ 'অনুবাদ' শব্দটি হৈছে ?

(জ) অসমীয়া ভাষালৈ 'ৰামায়ণ' প্ৰথম কোনে অনুবাদ কৰিছিল ?

★★★